Language and Literacy

ভাষা আৰু সাক্ষৰতা

TESS India

# School–home communication

# বিদ্যালয়-গৃহ যোগাযোগ





Teacher Education through School-based Support in India

www.TESS-India.edu.in

অনুবাদ আৰু অভিযোজন ঃ ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

BY SA

http://creativecommons.org/licenses/

The Open University

UKaid from the British people

*TESS-India (Teacher Education through School-based Support) aims to improve the classroom practices of elementary and secondary teachers in India through the provision of Open Educational Resources (OERs) to support teachers in developing student-centred, participatory approaches. The TESS-India OERs provide teachers with a companion to the school textbook. They offer activities for teachers to try out in their classrooms with their students, together with case studies showing how other teachers have taught the topic and linked resources to support teachers in developing their lesson plans and subject knowledge.*

*TESS-India OERs have been collaboratively written by Indian and international authors to address Indian curriculum and contexts and are available for online and print use (http://www.tess-india.edu.in/). The OERs are available in several versions, appropriate for each participating Indian state and users are invited to adapt and localise the OERs further to meet local needs and contexts.*

*TESS-India is led by The Open University UK and funded by the UK government.*

***Video resources***

*Some of the activities in this unit are accompanied by the following icon: . This indicates that you will find it helpful to view the TESS-India video resources for the specified pedagogic theme.*

*The TESS-India video resources illustrate key pedagogic techniques in a range of classroom contexts in India. We hope they will inspire you to experiment with similar practices. They are intended to complement and enhance your experience of working through the text-based units, but are not integral to them should you be unable to access them.*

*TESS-India video resources may be viewed online or downloaded from the TESS-India website, http://www.tess-india.edu.in/). Alternatively, you may have access to these videos on a CD or memory card.*

*Version 2.0 LL01v1*
*Assam*

*Except for third party materials and otherwise stated, this content is made available under a Creative Commons Attribution-ShareAlike licence: http://creativecommons.org/licenses/by-sa/3.0/*

*TESS-India is led by The Open University UK and funded by UK aid from the UK government*

## এই গোটটো কিহৰ বিষয়ে (What this unit is about)

ঘৰ আৰু সমাজত বিভিন্নজনৰ লগত হোৱা ভাব বিনিময়ৰ মাজেদি আহৰণ কৰা ভাষা আৰু জ্ঞান তথা কৌশল আৰু কল্পনাৰ মাজেৰেই শিশুৱে বিদ্যালয়ৰ আৰম্ভণি কৰে। শিশুৰ বিকাশৰ পথত তেওঁলোকে ইতিমধ্যে আহৰণ কৰা ভাষিক আৰু সাংস্কৃতিক দক্ষতাসমূহ আপুনি মুল সমল হিচাপে চিনাক্ত কৰিব পাৰিলে তেওঁলোকৰ আনুষ্ঠানিক শিকন বেছি ফলপ্ৰসূ হ'ব।

এই গোটত আপোনাৰ ভাষা আৰু সাক্ষৰতা শিক্ষণৰ বাবে ছাত্ৰ-ছাত্ৰীৰ ঘৰ আৰু সমাজৰ অভিজ্ঞতাক মূল্য দি সেইবোৰ যত্নৰে ব্যৱহাৰ কৰিব পৰাৰ পথ বিচাৰি পাব।

## এই গোটটোৰ পৰা কি শিকিব পাৰিব (What you can learn in this unit)

- আপোনাৰ ছাত্ৰ-ছাত্ৰীৰ বিষয়ে বেছিকৈ জানিবলৈ আপোনাৰ শ্ৰেণীকোঠাৰ ৰুটিনত কেনেকৈ সুযোগ উলিয়াব।
- ছাত্ৰ-ছাত্ৰীৰ বিদ্যালয়ৰ বাহিৰৰ অভিজ্ঞতাক সাঙুৰি আপুনি কেনেকৈ ভাষাৰ পাঠ পৰিকল্পনা কৰিব।

## এই পদ্ধতিটো কিয় গুৰুত্বপূৰ্ণ (Why this approach is important)

ছাত্ৰ-ছাত্ৰীয়ে ঘৰ আৰু সমাজত অনানুষ্ঠানিকভাৱে শিকনত বেছিভাগ সময় পাৰ কৰে। অৱশ্যে কেৱল মাত্ৰ পাঠ্যপুথিখনকে নিৰ্দেশনাৰ মূল সমল বুলি খামোচ মাৰি থকা মানে হৈছে শিক্ষকে শ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰীৰ পাৰদৰ্শিতা, জ্ঞান আৰু অভিজ্ঞতাক আওকাণ কৰি যোৱা।

যেতিয়া শিশুসকল প্ৰথম বিদ্যালয়লৈ আহে, অচিনাকি মানুহ, শ্ৰেণীকোঠাৰ ৰুটিন আৰু ভাষাৰ মুখামুখি হৈ বিভ্ৰান্ত হ'ব পাৰে। আপোনাৰ ছাত্ৰ-ছাত্ৰীয়ে জনা বিচিত্ৰ সংস্কৃতি আৰু ভাষাক গুৰুত্ব দি এই নতুন পৰিৱেশত তেওঁলোকক আপুনি নিৰাপদ অনুভৱ কৰাব পাৰে।

প্ৰতিদিনাই ছাত্ৰ-ছাত্ৰীয়ে গৃহভিত্তিক আৰু বিদ্যালয় ভিত্তিক শিকনৰ মাজত এখন দলং পাৰ কৰিবলগীয়া হয়। স্থান পৰিৱৰ্তনৰ এই পথ সুগম কৰিবৰ বাবে শিক্ষক আৰু ছাত্ৰ-ছাত্ৰী লাভান্বিত হোৱাকৈ এই গোটটোত কিছুমান ত্ৰি য়া-কলাপৰ পৰামৰ্শ দিয়া হৈছে।

## ১) বিদ্যালয়ৰ বাহিৰত ছাত্ৰ-ছাত্ৰীৰ শিকন (1 Students' learning outside school)

### চিন্তন (Pause for thought)

- বিদ্যালয়ৰ বাহিৰত আপোনাৰ ছাত্ৰ-ছাত্ৰীসকলে কি কৌশল আৰু জ্ঞান আহৰণ কৰিছে বুলি আপুনি ভাবিব পাৰে?
- আপোনাৰ ছাত্ৰ-ছাত্ৰীৰ ঘৰ আৰু সমাজৰ ভাষা আৰু সাংস্কৃতিক জ্ঞান তেওঁলোকৰ স্কুলীয়া শিক্ষাত আৱশ্যক বুলি আপুনি ভাবেনে? কিয় ভাবে অথবা নাভাবে?

১ নং ঘটনা অধ্যয়নত এগৰাকী শিক্ষকে এটি প্ৰাক্ বিদ্যালয় স্তৰৰ শিশুৰ শিকন অভিজ্ঞতা উদ্‌ঘাটন কৰিছে।

### ঘটনা অধ্যয়ন ১ ঃ শ্ৰীমতী ভট্টই এটি শিশুৰ প্ৰাক্ বিদ্যালয় জ্ঞান আৰু কৌশলৰ ওপৰত আলোকপাত কৰিছে (Case Study 1: Bhatta reflects on a child's pre-school knowledge and skills)

শ্ৰীমতী ভট্ট হ'ল বৰপেটাৰ এখন প্ৰাথমিক বিদ্যালয়ৰ এগৰাকী শিক্ষয়িত্ৰী। তেওঁ এখন দোকানত বাটি (bowl) কিনিবলৈ যোৱাৰ অভিজ্ঞতা বৰ্ণনা কৰিছে। যিখন দোকানৰ পৰা তেওঁ বাটি কিনিছিল সেইখন তেওঁৰ দ্বিতীয় শ্ৰেণীৰ এজন ছাত্ৰৰ মাক-দেউতাকৰ দোকান আছিল। তাত তেওঁ লগ পাইছিল ছাত্ৰজনৰ চাৰি বছৰীয়া ভনীয়েক শিল্পীক। শিল্পী স্কুললৈ যোৱাই নাই।

শিল্পী মজিয়াত এটা কাৰ্ড ব'ৰ্ড বাকচৰ কাষত বহি আছিল। তাই পেকেট কিছুমান লৈ সেইবোৰ গণনা কৰিছিল আৰু ভাগে ভাগে থুপ খুৱাই থৈ গৈছিল। তাইৰ দেউতাকে এজন গ্ৰাহকৰ লগত কথা পাতি আছিল। মই শিল্পীক সুধিছিলোঁ, 'তোমালোকে বাটি বিক্ৰী কৰানে'? তাই মাকক মাতিলে। দোকানৰ পাছফালৰ পৰা মাক আহিল আৰু দোকানৰ এচুকলৈ দেখুৱাই শিল্পীক ঘৰুৱা ভাষাতে কিবা ক'লে কিন্তু মাকে কথাটো কওঁতে (bowl) ৰ অসমীয়া শব্দ 'বাটি' ব্যৱহাৰ কৰিছিল। বাটিবোৰ চোৱাত শিল্পীয়ে মোক সহায় কৰিছিল

আৰু ২  বা ৩ টা বেলেগ বেলেগ ৰঙৰ বাটি উলিয়াই আনিছিল। মই ৰঙা ৰঙৰ বাটিটো পছন্দ কৰিলোঁ। শিল্পীয়ে সেইটো কাউণ্টাৰলৈ নিলে। মোৰ হাতৰ পৰা পইচা লৈ মাকক দিলে। মই ঘূৰাই পাবলগীয়া পইচাও শুদ্ধকৈ মাকে শিল্পীৰ হাততে দিলে আৰু শিল্পীয়ে মোক সেয়া  ঘূৰাই দি কাগজেৰে বাটি বান্ধি দিয়াত মাকক সহায় কৰিলে। মই বাটি লোৱাৰ সময়ত মাকৰ লগতে শিল্পীয়েও মোক অসমীয়াতে ধন্যবাদ আৰু বিদায় সম্ভাষণ (goodbye) জনালে।

দোকানখন এৰাৰ সময়ত ভাবিলো যে, শিল্পীয়ে আহৰণ কৰি থকা জ্ঞান আৰু কৌশলসমূহে তাই যেতিয়া স্কুললৈ যাবলৈ আৰম্ভ কৰিব তেতিয়া তাইক লাভান্বিত কৰিব। (Kenner 2000 ৰ পৰা লোৱা হৈছে।)

## চিন্তন (Pause for thought)

- ভাষা আৰু যোগাযোগৰ বিষয়ে শিল্পীয়ে কি জানে?
- ঘটনা অধ্যয়নটোত শিল্পীয়ে অন্য কি কি কৌশল প্ৰদৰ্শন কৰিলে?

আমাৰ সৈতে আপোনাৰ ধাৰণা তুলনা কৰক।

শিল্পীয়ে সংখ্যা বুজি পায়। তাই গণনা কৰিব জানে আৰু কেনেকৈ বাছনি আৰু শ্ৰেণীবিভাজন কৰিব লাগে সেয়াও শিকিছে। তাই টকা আৰু পইচাৰ বিষয়েও বুজিবলৈ আৰম্ভ কৰিছে। দোকানত কেনেকৈ কাম কৰে সেয়াও জানে। তাই শুনিব পাৰে, প্ৰশ্ন বুজিব পাৰে আৰু তথ্য জানিব পাৰে। গ্ৰাহকৰ সৈতে কেনেকৈ নম্ৰভাৱে কথা পাতিব লাগে তাই তাকো জানে।

শিল্পীয়ে নিজৰ ঘৰুৱা ভাষাত আত্মপ্ৰত্যয়েৰে কথা পাতে। তাই ৰঙৰ নামবোৰ জানে। প্ৰশ্ন, নিৰ্দেশনা আৰু দিশবোৰৰ ভাষাও জানে। তদুপৰি তাই কিছু অসমীয়াও বুজি পায়। ধন্যবাদ (Thank you) আৰু বিদায় (goodbye) বুলি কওঁতে তাত অসমীয়া ব্যৱহাৰ কৰিছে। মানুহে যে বিভিন্ন ভাষাৰে মত বিনিময় কৰে সেই সম্পৰ্কেও তাই সজাগ হৈ পৰিছে।

পৰ্যৱেক্ষণ, ভাব-বিনিময় আৰু অনুকৰণৰ যোগেদি শিল্পীয়ে সাধাৰণ জ্ঞান আৰু যোগাযোগৰ কৌশল আহৰণ কৰি আছে। তাই যেতিয়া বিদ্যালয়লৈ যাব তেতিয়া এইবোৰেই তাইৰ ভৱিষ্যত শিকন আৰু ভাষাৰ বিকাশত শক্তিশালী ভেঁটি হিচাপে চিহ্নিত হ'ব।

ছাত্ৰ-ছাত্ৰীসকলে বিদ্যালয়ত পঢ়ি থকাৰ সময়ত সমান্তৰালভাৱে ঘৰ আৰু সমাজতো মূল্যৱান জ্ঞান আৰু কৌশল আহৰণ কৰে। আপোনাৰ ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ তলৰ কণমানিসকলক ডাঙৰ দীঘল হোৱাত সহায় কৰিব পাৰে, ককাক-আইতাকৰ যত্ন ল'ব পাৰে, ঘৰত পোহা জন্তু চোৱা চিতা কৰিব পাৰে, অভিভাৱকক বজাৰ আৰু দোকানত সহায় কৰিব পাৰে, ৰন্ধা-বঢ়াত লাগি দিব পাৰে, কোনো এটা শিল্প কৰ্মত দক্ষ হ'ব পাৰে নাইবা খেলা-ধূলা কৰি আনন্দ পাব পাৰে। এনেকুৱা কামবোৰে অনানুষ্ঠানিকভাৱেই ছাত্ৰ-ছাত্ৰীৰ ভাষা আৰু সাহিত্যৰ বিকাশত শিকন সুযোগ আগবঢ়ায়। এইবোৰ বিদ্যালয়ৰ পৰিসৰৰ ভিতৰতেই গঢ় লৈ উঠে।

## ২) শ্ৰেণীকোঠাৰ কথোপকথন বা আলাপ (2 Classroom chats)

আপোনাৰ ছাত্ৰ-ছাত্ৰীক তেওঁলোকৰ অভিৰুচি, ক্ৰিয়া-কলাপ আৰু দায়বদ্ধতাৰ বিষয়ে কথা পাতিবলৈ দিয়া সুযোগে আপোনাৰ শ্ৰেণীকোঠাত বিশ্বাসযোগ্য মত বিনিময়ত উৎসাহিত কৰিব। ইয়ে আপোনাৰ ছাত্ৰ-ছাত্ৰীৰ কথন আৰু শ্ৰৱণ কৌশলৰ মান নিৰূপণ কৰাত আপোনাক সক্ষম কৰি তুলিব। যাৰ ঘৰুৱা ভাষা আৰু বিদ্যালয়ৰ ভাষাৰ মাজত পাৰ্থক্য আছে তেওঁলোকৰ বাবে ই বিশেষভাৱে সহায়কাৰী হ'ব।

আপুনি আৰম্ভ কৰাত সহায়ক হোৱাকৈ তলত ব্যৱহাৰিক ক্ৰিয়া-কলাপৰ চানেকি দিয়া হৈছে—

### ক্ৰিয়া-কলাপ ১ ঃ দৈনন্দিন হোৱা কথোপকথন বা আলাপ (Activity 1: A daily chat)

বিদ্যালয়ৰ পৰৱৰ্তী শিক্ষাবৰ্ষৰ সময়ত, আপুনি এখন দৈনিক ৰুটিন সূচনা কৰক য'ত ছাত্ৰ-ছাত্ৰীৰ লগত ব্যক্তিগতভাৱেই হওক বা দলগতভাৱেই হওক আপুনি অনানুষ্ঠানিকভাৱে চমুকৈ কথা-বতৰা পাতিব পাৰে। দিনটোৰ আৰম্ভণি বা শেষত নতুবা জিৰণিৰ সময়ত এইটো কৰিব পাৰে। আপোনাৰ সকলো ছাত্ৰ-ছাত্ৰীৰ লগতে আপুনি যোগাযোগ কৰিব পৰাটো নিশ্চিত কৰক। ইয়াক নিৰীক্ষণৰ বাবে এখন চিন (Tick) দিয়া সৰল তালিকা আপুনি ৰাখিব পাৰে।

উদাহৰণস্বৰূপে, তেওঁলোকে অলপতে হোৱা কিবা উৎসৱ উদ্‌যাপন কৰিছিল নেকি বা হৈ যোৱা ধুমুহাত তেওঁলোক কোনোবা ক্ষতিগ্ৰস্ত হৈছিল নেকি নাইবা কোনো ক্ৰিকেট খেল চাইছিল নেকি আপুনি সুধিব পাৰে। বিদ্যালয়ৰ বাহিৰত ছাত্ৰ-ছাত্ৰীসকলে কি শিকিছে সেইটোৰ লগত তেওঁলোকে গুৰুত্ব দিয়া পাঠৰ বিষয়বস্তুৰ যোগসূত্ৰ স্থাপনৰ বাবে সুযোগ বিচাৰক। আপুনি এনেকৈ ক'ব পাৰে -

> ‘I know lots of you helped your parents in the market this month, even in this terrible weather. Well done! In the maths lesson today you can show off your skills, because we are working on adding and subtracting money. How many of you gave change in the market? Did you check your sums with your mother or father?’
>
> আপোনাৰ ছাত্ৰ-ছাত্ৰীসকলৰ সঁহাৰিয়ে বিদ্যালয়ত শিকনৰ বাবে তেওঁলোকে লৈ অহা জ্ঞান আৰু কৌশলৰ বিষয়ে অন্তৰ্দৰ্শন কৰিব। আপোনাৰ ছাত্ৰ-ছাত্ৰীসকলৰ বিষয়ে আপুনি কি জানিলে আৰু তেওঁলোকৰ কোনবোৰত আগ্ৰহ আৰু তেওঁলোকে কোনবোৰ ত্ৰি য়া-কলাপ আনসকলৰ লগত বিনিময় কৰে সেয়া টোকা বহীত লিপিবদ্ধ কৰক।
>
> গোটেই বছৰজুৰি এনেদৰে কৰি যাওঁতে ছাত্ৰ-ছাত্ৰীৰ আগ্ৰহ আৰু তেওঁলোকে ইতিমধ্যে জনা বিষয়ৰ লগত আহি থকা বিষয়টো সংযোগ কৰিব পৰাৰ সম্ভাৱনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি আপোনাৰ পাঠ্যপুথি, পাঠ্যসূচী আৰু শিক্ষণ পৰিকল্পনাৰ প্ৰাসংগিকতা ৰাখিব। এই কথন আৰু শ্ৰৱণ ত্ৰি য়া-কলাপক বহলাই নিবলৈ, আপুনি ছাত্ৰ-ছাত্ৰীসকলক এখনি সাপ্তাহিক দিনলিপি (Diary) লিখিবলৈ দিয়ক। যেতিয়া ছাত্ৰ-ছাত্ৰীসকল বিদ্যালয়ত নাথাকে তেতিয়া তেওঁলোকে কি কৰি থাকে দিনলিপিত সেয়া লিপিবদ্ধ কৰিববলৈ কওক।

শ্ৰেণীকোঠাত সকলো ছাত্ৰ-ছাত্ৰীকে জড়িতকৰণ সন্দৰ্ভত অধিক তথ্যৰ বাবে সমল ১ অধ্যয়ন কৰক।



**ভি.ডি.অ’. ঃ সকলোকে জড়িতকৰণ (Video: Involving all)**

## ত্ৰি য়া-কলাপ ২ ঃ শ্ৰেণীকোঠাৰ এক আলোচনা (Activity 2: A class discussion)

ছাত্ৰ-ছাত্ৰীৰ বিদ্যালয় বহিৰ্ভূত অভিৰুচি আৰু দায়বদ্ধতাক লৈ শ্ৰেণীকোঠাত তেওঁলোকৰ মাজত এটা আলোচনাৰ পৰিকল্পনা কৰক। সহায়ক হিচাপে যিকোনো এটা প্ৰ.ত আলোকপাত কৰক। ইয়াত কিছু ধাৰণা দিয়া হৈছে, কিন্তু আপোনাৰ নিজৰ বিষয়বস্তুৰ লগত মিলাই আপুনি প্ৰ.ন বাছনি কৰা প্ৰয়োজন ঃ

- ঘৰত তুমি কেনেকুৱা ধৰণৰ কামত সহায় কৰা? তুমি কি কৰি আটাইতকৈ ভালপোৱা? তুমি কি কৰি আটাইতকৈ কম ভালপোৱা?
- সপ্তাহৰ শেষত তোমালোকৰ আটাইতকৈ ভাল লগা সময় কোনখিনি আছিল? তুমি কোনখিনি উপভোগ কৰিব পৰা নাছিলা?
- বিদ্যালয় বন্ধৰ সময়ত তুমি কি কৰিবা?

প্ৰ.নটো ব’ৰ্ডত লিখক। আপোনাৰ নিজৰ উত্তৰেৰে ইয়াক আৰম্ভ কৰক।

তাৰপাছত দুই বা তিনিগৰাকী ছাত্ৰ-ছাত্ৰীক প্ৰ.নটো সোধক। আনুসঙ্গিক প্ৰ.ন সুধি যেনে - ‘সঁচাকৈ? তুমি এইটো ক’ত শিকিছিলা?’ ‘ইয়াৰ পাছত তুমি কি কৰিবা?’ ইত্যাদি কথা-বতৰা বহলাই নিয়ক।

আপোনাৰ ছাত্ৰ-ছাত্ৰীসকলক সৰু সৰু দলত ভাগ কৰি লওক। ব’ৰ্ডত লিখা প্ৰ.নটো তেওঁলোকক একেলগে দলত আলোচনা কৰিবলৈ কওক। ইতিমধ্যে কৈ অহাৰ দৰে ইজনে-সিজনক প্ৰ.নৰ প্ৰসংগত পুনৰ প্ৰ.ন সুধিবলৈ তেওঁলোকক উৎসাহিত কৰক। তেওঁলোকে কথা আলোচনা কৰি থাকোঁতে আপুনি চাৰিওফালে ঘূৰা-পকা কৰি তেওঁলোকক নিৰীক্ষণ কৰি তেওঁলোক প্ৰত্যেকেই অংশগ্ৰহণ কৰাটো নিশ্চিত কৰক।

সৰু সৰু দলৰ আলোচনাৰ বিকল্প হিচাপে আপুনি আৰু এটা কাম কৰিব পাৰে। যুৰীয়াভাৱে ইজনে-সিজনৰ সাক্ষাৎকাৰ ল’বৰ বাবে আপুনি ক’ব পাৰে আৰু তাৰপাছত তেওঁলোকৰ লগৰজনে কি ক’লে সেই বিষয়ে লিখিবলৈ দিয়ক।

## ৩) এটা শ্ৰেণী প্ৰকল্প (3 A class project)

পাছৰটো ঘটনা অধ্যয়নত এগৰাকী শিক্ষয়িত্ৰীয়ে ভাষা আৰু সাক্ষৰতাৰ এটা সম্প্ৰসাৰিত প্ৰকল্পৰ পৰিকল্পনা কৰিবলৈ ছাত্ৰ-ছাত্ৰীৰ বিষয়ে থকা তেওঁৰ জ্ঞান ব্যৱহাৰ কৰিছে।

## ঘটনা অধ্যয়ন ২ ঃ বুলু বৰুৱাৰ উৎসৱ বিষয়ক ভাষা আৰু সাক্ষৰতাৰ প্ৰকল্প (Case Study 1: Bulu Baruah language and literacy project about festivals)

পঞ্চম শ্ৰেণীত পঢ়োৱা শিক্ষয়িত্ৰী বৰুৱাই পাঠ্যপুথিত উৎসৱৰ বিষয়ে থকা পাঠ এটাৰ পৰা অনুপ্ৰাণিত হৈছে।

ভাৰতবৰ্ষৰ প্ৰধান উৎসৱ ঈদ আৰু হোলী (ফাকুৱা) ৰ বিষয়ে বৰ্ণনা কৰা এটা পাঠ মোৰ ছাত্ৰ-ছাত্ৰীসকলে অলপতে পঢ়ি শেষ কৰিছে। আমাৰ নিজৰ সমাজখনতো বহু আমোদজনক উৎসৱ পাৰ্বণ আছে। সেয়ে মই অলপতে আহি থকা স্থানীয় উৎসৱসমূহৰ ওপৰত (অলপতে হ'বলগীয়া) আলোকপাত কৰিবলৈ সিদ্ধান্ত ল'লো।

কোনটো উৎসৱত ছাত্ৰ-ছাত্ৰীসকল জড়িত হয় সেই বিষয়ে প্ৰশ্ন সুধিম মই মোৰ কাম আৰম্ভ কৰিলোঁ আৰু তেওঁলোকৰ উত্তৰবোৰ ব'ৰ্ডত লিখিলোঁ।

তাৰপাছত ছাত্ৰ-ছাত্ৰীসকলক সৰু সৰু দলত ভাগ কৰিলোঁ। প্ৰতিটো দলেই একোটা উৎসৱক প্ৰতিনিধিত্ব কৰে। প্ৰতিটো দলকে মই এখনকৈ ডাঙৰ কাগজ দিলো আৰু তাত তেওঁলোকৰ উৎসৱৰ বিষয়ে যিমান পাৰে লিখিবলৈ ক'লো। যেনে— কি উৎসৱ উদ্‌যাপন কৰে, কোনগৰাকী দেৱ-দেৱীক উপাসনা কৰে, কি জনগোষ্ঠী জড়িত হৈ থাকে, কি নিয়ম-নীতি পালন কৰে, কি খাদ্য ৰন্ধা-বঢ়া কৰে। কোনোবাই বিশেষ ধৰণৰ সাজ-পোছাক পৰিধান কৰে নেকি আৰু তাত কি ত্ৰি য়া-কলাপ কৰা হয়, ইত্যাদি। তেওঁলোকৰ আলোচনাত ঘৰুৱা ভাষা ব্যৱহাৰ কৰিব পাৰে বুলি মই তেওঁলোকক কৈছিলোঁ। লগতে তেওঁলোকে ইচ্ছা কৰিলে ঘৰুৱা ভাষাতে কথাবোৰ লিখিব পাৰে বুলিও কৈছিলোঁ।

তাৰপাছত প্ৰতিটো দলকে নিজৰ চিন্তা-চৰ্চা শ্ৰেণীত দাঙি ধৰিবলৈ কৈছিলোঁ। কোন দিনা সেইটো উদ্‌যাপন হয়? তুমি কেতিয়া মন্দিৰলৈ যোৱা, তুমি কি পিন্ধা? তোমাৰ ককা-আইতাহঁতেও উদ্‌যাপন কৰেনে?'— ইত্যাদি প্ৰশ্ন সুধি মই দলবোৰক অলপ সহায় কৰিছিলোঁ। তাৰ পাছত প্ৰতিটো দলকে নিজৰ উৎসৱ উপস্থাপনৰ বাবে এখন প'ষ্টাৰ তৈয়াৰ কৰাৰ কথা বুজাই ক'লো। মই মোৰ ছাত্ৰ-ছাত্ৰীসকলক উৎসৱৰ বিষয়ে আৰু অধিক কথা সংগ্ৰহৰ বাবে তেওঁলোকৰ পিতৃ-মাতৃ, ককাক-আইতাক আৰু কোনোবা ঘৰৰ বা সমাজৰ ব্যক্তি কো সোধা-পোছা কৰিবলৈ পৰামৰ্শ দিলো। এই কামটো তেওঁলোকক ঘৰুৱা কাম হিচাপে কৰিবলৈ দিলো। তেওঁলোকক মই কিছুমান প্ৰশ্নৰ নমুনা দিলো। এই উৎসৱটো ইয়াত সদায় উদ্‌যাপন কৰা হয়নে?

ইয়াক সদায় ইমান ডাঙৰকৈয়ে উদ্‌যাপন কৰা হয় নে? সংগীতবোৰ সলনি হৈছে নে? মই সপ্তাহত এদিন এটা পাঠৰ বাবে ছাত্ৰ-ছাত্ৰীক প'ষ্টাৰ তৈয়াৰ কৰা কাম দিছিলোঁ। তেওঁলোকক পৰ্যৱেক্ষণ কৰি তেওঁলোকৰ কথাবোৰ শুনি আৰু প্ৰয়োজন অনুসৰি সহায় কৰি মই ইটো দলৰ পৰা সিটো দললৈ ঘূৰি ফুৰিছিলোঁ।

প'ষ্টাৰখনত বিদ্যালয়ৰ ভাষা বা ঘৰুৱা ভাষা নাইবা দুয়োটা ভাষাকে ব্যৱহাৰ কৰি লিখিব পাৰিব বুলি মই তেওঁলোকক বুজাই দিছিলোঁ। তেওঁলোকৰ মাজৰ কোনোবাই শ্ৰেণীকোঠাত প্ৰথমবাৰৰ বাবে নিজৰ ঘৰুৱা ভাষা লিখিছিল। এইটো কৰোঁতে তেওঁলোক যথেষ্ট উৎফুল্লিত হৈছিল।

তেওঁলোকে এই কামখিনি শেষ কৰাৰ পাছত শ্ৰেণীত প্ৰত্যেক দলেই নিজৰ নিজৰ প'ষ্টাৰ প্ৰদৰ্শন কৰিছিল। অন্য ছাত্ৰ-ছাত্ৰী আৰু মই নিজেও তেওঁলোকক প্ৰশ্ন সুধিছিলোঁ। আমি সকলোৱে বহুতো কথা শিকিছিলোঁ। তাৰপাছত প্ৰত্যেকেই পঢ়িব আৰু উপভোগ কৰিব পৰাকৈ মই সেই ৰঙীণ প'ষ্টাৰবোৰ বেৰত লগাই দিছিলোঁ।

### চিন্তন (Pause for thought)

- এই প্ৰকল্পটোত ছাত্ৰ-ছাত্ৰীক মূল্যায়ন কৰিবৰ বাবে বুলু বৰুৱাই কি সুযোগ পাইছিল?
- সৰু সৰু ছাত্ৰ-ছাত্ৰীৰ বাবে এই প্ৰকল্পটোৰ আপুনি কেনেকৈ সমযোজন কৰি ল'ব?
- ডাঙৰ ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰকল্পটো কেনেকৈ সম্প্ৰসাৰণ কৰিব?

এই ত্ৰি য়া-কলাপে ছাত্ৰ-ছাত্ৰীৰ ভাষা আৰু সাক্ষৰতাৰ দক্ষতা বিকাশত বহুতো সুযোগ দিলে। এই ত্ৰি য়া-কলাপে সাঙুৰি ল'লে—

- গোটেই শ্ৰেণী আৰু সৰু সৰু দলগত আলোচনা
- পৰিয়ালৰ সদস্য আৰু সমাজৰ মানুহৰ লগত কথাবতৰা পতা
- টোকা লোৱা
- লিখন

- মৌখিকভাৱে উপস্থাপন কৰা
- সত্ৰি য় শ্ৰৱণ
- প্ৰ.ন সোধা।

গোটেই সময়খিনি ঘৰুৱা আৰু বিদ্যালয়ৰ ভাষা ব্যৱহাৰৰ বাবে তেওঁলোকক উৎসাহিত কৰা হয়।

প্ৰকল্পটোৰ মূলত আছিল ছাত্ৰ-ছাত্ৰীৰ স্থানীয় জ্ঞান। ব্যক্তি গত আৰু দল হিচাপে ছাত্ৰ-ছাত্ৰীসকলক শিক্ষকে নিৰীক্ষণ কৰাৰ সময় পালে। শিক্ষয়িত্ৰীগৰাকীয়ে ছাত্ৰ-ছাত্ৰীৰ কৌশলসমূহ আৰু অংশগ্ৰহণৰ বিষয়ে টোকা ৰাখিব পাৰে নাইবা এখন ‘চেক্‌লিষ্ট’ (Checklist) কৰিব পাৰে।

সৰু সৰু ছাত্ৰ-ছাত্ৰীৰ বাবে এনেদৰে প্ৰকল্পত কথন আৰু শ্ৰৱণক প্ৰাধান্য দিয়া উচিত। ছাত্ৰ-ছাত্ৰীসকলে এটা উৎসৱৰ ছবি আঁকিবও পাৰে বা নাট্যাভিনয় কৰিব পাৰে। ডাঙৰ ছাত্ৰ-ছাত্ৰীৰ বাবে, এটা লিখিত প্ৰকল্প বেছি সঠিক হ’ব। ইয়াত উৎসৱ সম্পৰ্কীয় বিশেষ শব্দমালা আৰু জ্ঞান ব্যৱহাৰ কৰি ভাষা, ইতিহাস আৰু পৰম্পৰাগত সংস্কৃতিৰ চিত্ৰসহ গৱেষণা সন্নিৱিষ্ট কৰিব পাৰিব।

শিকনৰ বাবে বাৰ্তালাপ শীৰ্ষক মূল সমলত ছাত্ৰ-ছাত্ৰীৰ মাজত সহযোগী কাৰ্যৰ গুৰুত্ব সন্দৰ্ভত বহুতো ধাৰণা সামৰি লৈছে।



**ভি.ডি.অ’. ঃ শিকনৰ বাবে বাৰ্তালাপ (Video: Talk for learning)**

## ৪) সাৰাংশ (4 Summary)

বিদ্যালয়ত আপোনাৰ ছাত্ৰ-ছাত্ৰীৰ ভাষা আৰু সাক্ষৰতাৰ কৌশলসমূহ বিকাশত তেওঁলোকৰ ঘৰ আৰু সমাজ ভিত্তিক অভিজ্ঞতাৰ সৎ ব্যৱহাৰৰ মূল্য আৰু গুৰুত্বৰ বিষয়ে এই গোটত বৰ্ণনা কৰা হৈছে। যদি আপোনাৰ ছাত্ৰ-ছাত্ৰীসকলে কৰা কাম আৰু বিদ্যালয়ৰ বাহিৰত ব্যৱহাৰ কৰা ভাষাক স্কুলৰ শিক্ষকসকলে মূল্য দিয়া বুলি অনুভৱ কৰে তেন্তে তেওঁলোকে বিদ্যালয়ত শিকিবৰ বাবে বেছি আত্মবি শ্বাসী আৰু প্ৰণোদিত হ’ব। ছাত্ৰ-ছাত্ৰীসকলৰ বিদ্যালয়ৰ বাহিৰৰ অভিৰুচিবোৰ আৰু বেছিকৈ উলিয়াই আনিবৰ বাবে তেওঁলোকৰ লগত নিয়মীয়াকৈ কথোপকথন বা আলোচনা কৰি তেওঁলোকৰ অভিজ্ঞতাক মূল্য দিয়া বুলি দেখুৱাব পাৰে।

ছাত্ৰ-ছাত্ৰীৰ জ্ঞান লগতে তেওঁলোকৰ পৰিয়াল আৰু সমাজৰ জ্ঞানৰ ওপৰত ভিত্তি কৰি পাঠ্যপুথিৰ বিষয় বেছি অৰ্থপূৰ্ণ আৰু প্ৰাসংগিক কৰিবৰ বাবে এই গোটটোৱে বহুতো পথ দেখুৱাইছে। যিকোনো পাঠ্যপুথিৰ বিষয় আৰু যিকোনো স্তৰৰ ছাত্ৰ-ছাত্ৰীৰ বাবে এনেকুৱা ধৰণৰ ত্ৰি য়া-কলাপ আপুনি উপযোগী কৰি ল’ব পাৰে।

## সমলসমূহ (Resources)

## সমল ১ ঃ সকলোকে জড়িতকৰণ (Resource 1: Involving all)

### সকলোকে জড়িত কৰা মানে কি বুজাইছে? (What does it mean to ‘involve all’?)

সমাজ আৰু সংস্কৃতিত থকা বিচিত্ৰতা শ্ৰেণীকোঠাত প্ৰতিফলিত হয়। ছাত্ৰ-ছাত্ৰীসকলৰ ভাষা, অভিৰুচি আৰু সক্ষমতা বেলেগ বেলেগ। বিভিন্ন ধৰণৰ সামাজিক আৰু অৰ্থনৈতিক পটভূমিৰ পৰা ছাত্ৰ-ছাত্ৰীসকল আহিছে। এই বিভিন্নতাক আমি অৱজ্ঞা কৰিব নোৱাৰোঁ। বাস্তৱিকতে, আমি সেয়া উদ্‌যাপন কৰা উচিত, যিহেতুকে তেওঁলোকে প্ৰত্যেকেই প্ৰত্যেকৰ বিষয়ে আৰু আমাৰ নিজা অভিজ্ঞতাৰ উপৰি পৃথিৱীৰ জ্ঞান লাভ কৰিবলৈ সেইবোৰ বাহক হ’ব পাৰে। সকলো ছাত্ৰ-ছাত্ৰীৰে শিক্ষাৰ অধিকাৰ আছে আৰু তেওঁলোকৰ স্থিতি, সামৰ্থ আৰু ঘৰুৱা অৱস্থাৰ পটভূমি নিৰ্বিশেষে শিকনৰ সুযোগ পোৱাৰ অধিকাৰ আছে। এইটো ভাৰতীয় আইন আৰু আন্তৰ্জাতিক শিশু অধিকাৰ আইনৰ দ্বাৰা স্বীকৃত। ২০১৪ চনত জাতিৰ প্ৰতি দিয়া প্ৰথমটো ভাষণতে ভাৰতৰ মাননীয় প্ৰধানমন্ত্ৰী মোদীয়ে জাতি, লিংগ বা আয় নিৰ্বিশেষে সকলো নাগৰিকক মূল্য দিয়াৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে। এই ক্ষেত্ৰত বিদ্যালয় আৰু শিক্ষকসকলৰ যথেষ্ট গুৰুত্বপূৰ্ণ ভূমিকা আছে।

আমাৰ সকলোৰে অন্যৰ প্ৰতি এটা সংস্কাৰ আৰু দৃষ্টিভংগী আছে যে যিটোক আমি হয়তো কেতিয়াও স্বীকৃতি দি অথবা বিবেচনা কৰি চোৱা নাই। শিক্ষক হিচাপে প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীকে ইতিবাচক বা নেতিবাচক পথত তেওঁলোকৰ শিক্ষা অভিজ্ঞতাৰ ওপৰত প্ৰভাৱ পেলাব পৰাৰ ক্ষমতা আপোনাৰ আছে। জানিয়েই হওক বা নজনাকৈয়ে হওক, আপোনাৰ এনে পূৰ্ব ধাৰণা আৰু দৃষ্টিভংগীক কিমান সমভাৱে আপোনাৰ ছাত্ৰ-ছাত্ৰীসকলে শিকে তাত প্ৰভাৱ পেলাব। আপোনাৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰতি অসমানতাপূৰ্ণ আচৰণৰ বিপক্ষে ৰক্ষক হিচাপে আপুনি পদক্ষেপ ল’ব পাৰে।

## শিকনত সকলোকে জড়িতকৰণৰ তিনিটা মূলনীতি (Three key principles to ensure you involve all in learning)

- **মনোযোগ দিয়া (Noticing)** ঃ ফলপ্ৰসূ শিক্ষকসকল পৰ্যৱেক্ষক, অনুভূতিশীল আৰু সংবেদনশীল। তেওঁলোকে ছাত্ৰ-ছাত্ৰীৰ পৰিৱৰ্তনবোৰ লক্ষ্য কৰি থাকে। আপুনি যেতিয়া সতৰ্ক নিৰীক্ষক হয় তেতিয়া এজন ছাত্ৰই কিবা এটা ভাল কৰে, কেতিয়া তেওঁলোকক সহায়ৰ প্ৰয়োজন হয় আৰু তেওঁলোকে কেনেকৈ আনৰ লগত সম্পৰ্ক কৰিছে, এই সকলোবোৰ কথা লক্ষ্য কৰিব। আপোনাৰ ছাত্ৰ-ছাত্ৰীৰ পৰিৱৰ্তনবোৰৰ প্ৰতিও আপুনি অনুভূতিশীল হ'ব পাৰে। তেওঁলোকৰ ঘৰুৱা পৰিৱেশৰ কাৰণে বা অন্য কাৰণতো পৰিৱৰ্তন প্ৰতিফলিত হ'ব পাৰে। সেয়েহে আপুনি সকলো শিশুকে সমভাৱে আনকি যিয়ে নিজকে দুৰ্বল শ্ৰেণীৰ বুলি ভাবে তেনে শিশুকো প্ৰতিদিনে ভালদৰে মনোযোগ দিব লাগিব।
- **আত্মমৰ্যদাক গুৰুত্ব দিয়া (Focus on self-esteem)** ঃ নিজক লৈ সন্তুষ্ট হ'ব পৰা জনেই ভাল নাগৰিক। তেওঁলোকৰ আত্মসন্মানবোধ থাকে, নিজৰ সক্ষমতা আৰু দুৰ্বলতা নিজে জানে, অন্য মানুহৰ লগত (ঘৰুৱা অৱস্থা নিৰ্বিশেষে) ইতিবাচক সুসম্পৰ্ক গঢ়ি তোলাৰ দক্ষতা থাকে। তেওঁলোকে নিজক আৰু আনকো সন্মান কৰে। সৰু সৰু ছাত্ৰ-ছাত্ৰীৰ আত্মসন্মানবোধ গঢ়ি তোলাত শিক্ষক হিচাপে আপোনাৰ লক্ষণীয় প্ৰভাৱ থাকিব পাৰে। আপোনাৰ এই ক্ষমতাৰ প্ৰতি সাৱধান হওক আৰু ছাত্ৰ-ছাত্ৰীৰ আত্মসন্মানবোধ গঢ়ি তোলাত ইয়াক ব্যৱহাৰ কৰক।
- **নমনীয়তা (Flexibility)** ঃ যদি আপোনাৰ শ্ৰেণীত কিছুমান বিশেষ ছাত্ৰ-ছাত্ৰীৰ বাবে আপোনাৰ পৰিকল্পনাই কাম কৰা নাই, তেনেহ'লে অতি সোনকালে আপোনাৰ পৰিকল্পনা সলনি কৰক নাইবা বন্ধ কৰক। সকলো ছাত্ৰ-ছাত্ৰীকে ফলপ্ৰসূভাৱে জড়িত কৰাবৰ বাবে আপোনাৰ নমনীয়তাই আপোনাক সক্ষম কৰি তুলিব।

## সকলো সময়তে ল'ব পৰা পদ্ধতি বা উপায় (Approaches you can use all the time)

- **আদৰ্শ আচৰণৰ প্ৰকাশ (Modelling good behaviour)** ঃ সকলো ছাত্ৰ-ছাত্ৰীৰ প্ৰতি সজ আচৰণ দেখুৱাই আপুনি আদৰ্শ হওক। গোষ্ঠী, ধৰ্ম নাইবা লিংগ নিৰ্বিশেষে আপুনি এই আচৰণ দেখুৱাওক। সকলো ছাত্ৰ-ছাত্ৰীক সন্মান সহকাৰে ব্যৱহাৰ কৰক আৰু আপোনাৰ শিক্ষণ কালত আপুনি যে সকলো ছাত্ৰ-ছাত্ৰীক সমানে মূল্য দিছে সেইটো স্পষ্ট কৰি তোলক। তেওঁলোক সকলোৰে লগত সন্মান সহকাৰে কথা পাতক, তেওঁলোকৰ মতামতক গুৰুত্ব দিয়ক আৰু শ্ৰেণীত সকলোৰে লাভ হোৱাকৈ কোনো কামৰ দায়িত্ব ল'বলৈ তেওঁলোকক উৎসাহিত কৰক।
- **উচ্চ আকাংক্ষা (High expectations)** ঃ দক্ষতা কেতিয়াও স্থিৰ হৈ নাথাকে। সঠিকভাৱে সহায় সমৰ্থন পালে ছাত্ৰ-ছাত্ৰীসকলে শিকিব আৰু আগবাঢ়ি যাব পাৰে। আপুনি শ্ৰেণীত কৰোৱা কামটো যদি কোনো এজন ছাত্ৰ-ছাত্ৰীয়ে বুজিবলৈ টান পাইছে তেন্তে আপুনি নাভাবিব যে তেওঁলোকে কেতিয়াও বুজি নাপাব। শিক্ষক হিচাপে আপোনাৰ দায়িত্ব হ'ব প্ৰতিজন ছাত্ৰই শিকিব পৰাকৈ আপুনি কিমান ভালকৈ সহায় কৰিব পাৰে সেইটো কৰাটোহে। শ্ৰেণীৰ প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ পৰাই যদি আপোনাৰ উচ্চ প্ৰত্যাশা আছে তেন্তে ছাত্ৰ-ছাত্ৰীয়ে ধৰি ল'ব লাগিব যে তেওঁলোকে যদি নেৰানেপেৰাকৈ লাগি থাকিব পাৰে তেন্তে শিকিব পাৰিব। আচৰণৰ ক্ষেত্ৰতো উচ্চ প্ৰত্যাশা থকা উচিত। প্ৰত্যাশা স্পষ্টভাৱে নিশ্চিত কৰক আৰু চাওক প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়েই যাতে ইজনে সিজনক সন্মান কৰে।
- **আপোনাৰ শিক্ষণ-শিকন প্ৰক্ৰিয়াত বৈচিত্ৰ গঢ়ি তোলক (Build variety into your teaching)** ঃ ছাত্ৰ-ছাত্ৰীয়ে বেলেগ বেলেগ ধৰণে শিকে। কোনোবা এজনে লিখিবলৈ ভাল পায়, অন্য কোনোবাজনে আকৌ নিজৰ চিন্তাবোৰ ছবিৰে প্ৰকাশ কৰি বা কল্পনা কৰি ভাল পায়। কোনোবাজন ছাত্ৰ ভাল শ্ৰোতা আকৌ কোনোবা এজনে নিজৰ ভাব-ধাৰণাৰ বিষয়ে আনৰ লগত আলোচনা কৰিহে ভালকৈ শিকে। সকলো সময়তে সকলো ছাত্ৰ-ছাত্ৰীকে সমানে উপযোগী কৰি তুলিব নোৱাৰে, কিন্তু আপুনি শ্ৰেণীত বিভিন্ন পদ্ধতিৰে শিকাব পাৰে যাতে সেই শিকন ক্ৰিয়া-কলাপৰ পৰা ছাত্ৰ-ছাত্ৰীয়ে এটা ভাল পোৱা পদ্ধতি গ্ৰহণ কৰিব পাৰে।
- **শিক্ষণৰ লগত দৈনন্দিন জীৱনৰ সংযোগ ঘটোৱা (Relate the learning to everyday life)** ঃ কিছুমান ছাত্ৰ-ছাত্ৰীয়ে শ্ৰেণীত আপুনি শিকাবলৈ বিচৰা কথাবোৰৰ লগত দৈনন্দিন জীৱনৰ কোনো সংগতি বিচাৰি নাপায়। এইটো কৰিবৰ বাবে যেতিয়াই সম্ভৱ হয়, আপুনি পাঠৰ বিষয়বস্তুৰ লগত তেওঁলোকৰ পৰিৱেশ বা ঘৰুৱা জীৱনৰ বিষয়ে মিলাই কওক যাতে তেওঁলোকৰ অভিজ্ঞতা আপুনি উদাহৰণ হিচাপে দিব পাৰে।

- **ভাষাৰ ব্যৱহাৰ (Use of language)** ঃ আপুনি ব্যৱহাৰ কৰা ভাষা সম্পৰ্কে সাৱধানে ভাবক। সদায় ইতিবাচক আৰু প্ৰশংসাসূচক ভাষাহে ব্যৱহাৰ কৰিব। ছাত্ৰ-ছাত্ৰীক গালি নাপাৰিব। তেওঁলোকৰ আচৰণৰ ওপৰতহে মন্তব্য দিব তেওঁলোকৰ ওপৰত নহয়। তুমি আজি মোক বিৰক্ত কৰিছা বুলি কোৱা কথাষাৰ খুউব ব্যক্তিগত ভাবৰ হৈ পৰে। তাতকৈ আপুনি - আজি তোমাৰ ব্যৱহাৰত মই আমনি পাইছোঁ। তুমি মনোযোগ দিবলৈ অসুবিধা পোৱাৰ কাৰণ কি?—এনেধৰণেৰে ক'ব পাৰে। কোনটো বেছি সহায়ক হ'ব চাই লওক।

- **বদ্ধমূল ধাৰণাৰ প্ৰতি প্ৰত্যাহ্বান (Challenge stereotypes)** ঃ বিচাৰহীনভাৱে নাইবা পূৰ্বৰ বদ্ধমূল ধাৰণা বাদ দি ছোৱালীৰ বাবে সমল আৰু ভূমিকা বিচাৰি উলিয়াওক। নাইবা আদৰ্শ মহিলা স্কুললৈ নিমন্ত্ৰণ কৰি আনক। যেনে, ধৰক বিজ্ঞানী মহিলা। আপোনাৰ নিজৰ মনত থকা লিংগভিত্তিক বদ্ধমূল ধাৰণাৰ প্ৰতি সজাগ হওক। আপুনি জানিব পাৰে যে ছোৱালীয়েও খেলে আৰু ল'ৰায়ো প্ৰতিপালন কৰে। কিন্তু বাস্তৱক্ষেত্ৰত আমি সমাজত কৈ থকাৰ বাবেই হওক, আমি এই কথাবোৰ বেলেগকৈহে প্ৰকাশ কৰোঁ বা কওঁ।

- **এটা সমাদৃত নিৰাপদ শিকন পৰিৱেশ গঢ়ি তোলক (Create a safe, welcoming learning environment)** ঃ স্কুলত সকলো ছাত্ৰ-ছাত্ৰীয়ে এটা নিৰাপদ আৰু ভাল পৰিৱেশ বিচাৰে। আপুনি এনেকুৱা এটা পদবী বা স্থানত আছে য'ৰ পৰা আপুনি প্ৰতিজন ছাত্ৰ-ছাত্ৰীকে বন্ধুত্বপূৰ্ণভাৱে আৰু বুজা পৰা তথা সন্মান সহকাৰে মিলিজুলি থকাৰ বাবে উৎসাহিত কৰিব পাৰে আৰু তেওঁলোকক এইবোৰ অনুভৱ কৰাব পাৰে। বিভিন্ন ছাত্ৰ-ছাত্ৰীৰ বাবে শ্ৰেণীকোঠা আৰু বিদ্যালয়খন যে একে তাক কেনেকৈ ভবাই তুলিব পাৰে চিন্তা কৰক। সিহঁত ক'ত বহিব সোধা উচিতনে ভাবক, আৰু দৃষ্টিশক্তিহীন বা শ্ৰৱণ শক্তিহীন বা শাৰীৰিকভাৱে প্ৰত্যাহ্বান থকা ছাত্ৰ-ছাত্ৰীৰ বাবেও ইয়াক নিশ্চিত কৰক যে তেওঁলোকে পাঠ গ্ৰহণৰ বাবে শ্ৰেণীৰ য'তেই ইচ্ছা ত'তেই বহিব পাৰে। লাজকুৰীয়া বা সহজে আৱেগিক হোৱা ছাত্ৰ-ছাত্ৰীক মন কৰি আপুনি সহজতে বহুৱাব পৰা ঠাইত বহুৱাই দিয়ক।

## বিশেষ শিক্ষণ পদ্ধতি (Specific teaching approaches)

সকলো ছাত্ৰ-ছাত্ৰীকে জড়িত কৰিব পৰাকৈ বহুতো বিশেষ শিক্ষণৰ পদ্ধতি আছে। সেইবোৰ আন মূল সমলত বিশদভাৱে বৰ্ণনা কৰা হৈছে। ইয়াত এটা চমু অৱলোকণহে কৰা হৈছে।

- **প্ৰশ্ন সোধা (Questioning)** ঃ আপুনি যদি ছাত্ৰ-ছাত্ৰীক হাত ওপৰলৈ দাঙিবলৈ কয় তেন্তে একে কেইজনেহে উত্তৰ দিয়াৰ প্ৰৱণতা দেখা যায়। প্ৰশ্নৰ উত্তৰ দিয়া আৰু উত্তৰৰ বাবে চিন্তা কৰা কাৰ্যত বেছি ছাত্ৰ-ছাত্ৰীক জড়িত কৰাবৰ বাবে অন্য উপায়ো আছে। আপুনি পোনপটীয়াকৈ একোজন ছাত্ৰ-ছাত্ৰীক প্ৰশ্ন সুধিব পাৰে। আপুনি ঘোষণা কৰক যে কোনে উত্তৰ দিব আপুনি সিদ্ধান্ত ল'ব আৰু তেতিয়া পাছৰফালে থকা, কাষত থকা আনকি সন্মুখত থকা সকলকো সোধক। ছাত্ৰ-ছাত্ৰীসকলক ভবাৰ সময় (Thinking time) দিব আৰু বিশেষ একোজন ছাত্ৰ-ছাত্ৰীক নিমন্ত্ৰণ দিয়ক। যুৰীয়া কাৰ্য বা দলগত কাৰ্যৰ জৰিয়তে তেওঁলোকৰ আত্মপ্ৰত্যয় বঢ়াওক যাতে শ্ৰেণীৰ আলোচনাত প্ৰত্যেকেই অংশ গ্ৰহণ কৰিব পাৰে।

- **মান নিৰূপণ (Assessment)** ঃ গঠনাত্মক মান নিৰূপণৰ বাবে কিছু কৌশল নিৰ্ণয় কৰক যাতে প্ৰতিজন ছাত্ৰ-ছাত্ৰীক ভালকৈ জনাত আপোনাৰ সহায় হয়। সুপ্ত প্ৰতিভা বিকশাই তুলিবৰ বাবে আপুনি সৃষ্টিশীল হোৱা প্ৰয়োজন। গঠনাত্মক মূল্যায়নে আপোনাক সঠিক তথ্য দিব। নিৰ্দিষ্ট ছাত্ৰ-ছাত্ৰী আৰু তেওঁলোকৰ দক্ষতাৰ প্ৰতি সাধাৰণ দৃষ্টিভংগীৰে সহজতে কৰা মান নিৰূপণতকৈ গঠনাত্মক মান নিৰূপণ ভাল। তেতিয়া আপুনি নিজেও এটা ভাল স্থানত থাকিব আৰু তেওঁলোকৰ ব্যক্তিগত প্ৰয়োজন পূৰণৰ ক্ষেত্ৰত সহাঁৰি দিব পাৰিব।

- **দলগত কাৰ্য আৰু যুৰীয়া কাৰ্য (Groupwork and pair work)** ঃ শ্ৰেণীটোক কেনেকৈ দলত ভাগ কৰিব নাইবা কেনেকৈ যুটীয়াভাৱে ভগাব ভাবক। সকলোকে সামৰি লোৱাকৈ লক্ষ্য স্থিৰ কৰক আৰু প্ৰত্যেকেই প্ৰত্যেককে মূল্য দিবৰ বাবে ছাত্ৰ-ছাত্ৰীক কেনেকৈ উৎসাহিত কৰিব ভাবি লওক। প্ৰত্যেকেই প্ৰত্যেকৰ পৰা শিকিব পৰাৰ সুযোগ পোৱাতো নিশ্চিত কৰক আৰু তেওঁলোকে জনাৰ ভিত্তিতে তেওঁলোকৰ দৃঢ়তা গঢ়ি তোলক। কিছুমান ছাত্ৰ-ছাত্ৰীয়ে সৰু দলত প্ৰশ্ন সোধা বা নিজৰ ধাৰণাৰ বিষয়ে কোৱাৰ আত্মবিশ্বাস থাকিলেও গোটেই শ্ৰেণীটোৰ সন্মুখত তেনে কৰাৰ আত্ম প্ৰত্যয় নাথাকে।

- **পৃথকীকৰণ (Differentiation)** ঃ ছাত্ৰ-ছাত্ৰীয়ে আৰম্ভ কৰিব পৰা আৰু তাৰ পৰা আগবাঢ়ি যাব পৰাকৈ বিভিন্ন দলৰ বাবে বিভিন্ন কাম ঠিক কৰক। মুকলিভাৱে শেষ কৰিব পৰা কামে ছাত্ৰ-ছাত্ৰীক কৃতকাৰ্যতাৰ সুযোগ দিয়ে। নিজৰ কামৰ নিজেই স্বত্বাধিকাৰী বুলি ভাবিবৰ বাবে ছাত্ৰ-ছাত্ৰীক কাম বাছি লোৱাৰ সুবিধা দিয়ক। ছাত্ৰ-ছাত্ৰীৰ নিজৰ শিকন আৰু দায়িত্ববোধৰ

বাবেও এনে কৰাৰ প্ৰয়োজন। ব্যক্তি গত শিকনৰ বাবে ডাঙৰ শ্ৰেণীত অসুবিধা হয় কিন্তু বিভিন্ন ধৰণৰ কাম আৰু ত্ৰি য়া-কলাপৰ জৰিয়তে এনে শিকন সম্ভৱ কৰিব পাৰি।

# References/bibliography


Austin, R. (ed.) (2009) *Letting the Outside In.* London: Trentham Books.

BBC News (2013) 'Is Indian storytelling a dying art?' (online), 23 March. Available from: http://www.bbc.co.uk/news/world-asia-india-21651933 (accessed 16 September 2014).

Bridges, L. (1995) *Creating Your Classroom Community*, Portland, ME: Stenhouse Publishers.

Kenner, C. (2000) *Home Pages: Literacy Links for Bilingual Children*. Stoke-on-Trent: Trentham Books.

Pattanayak, B., Gupta, D. and Singha, S. (undated) 'Local art education for whole child development: a case of Paitkar painting in Amadubi village' (online), supported by UNICEF-Jharkhand, JEPC, JTWRI. Available from: http://www.academia.edu/5937590/Towards_holistic_development_of_children_using_local_art_and_culture_in_Jharkhand_India (accessed 18 November 2014). This resource looks at the holistic development of children using local art and culture.

Webster, L. and Reed, S. (2012) *The Creative Classroom.* London: Collins.


# Acknowledgements


This content is made available under a Creative Commons Attribution-ShareAlike licence (http://creativecommons.org/licenses/by-sa/3.0/), unless identified otherwise. The licence excludes the use of the TESS-India, OU and UKAID logos, which may only be used unadapted within the TESS-India project.



Every effort has been made to contact copyright owners. If any have been inadvertently overlooked the publishers will be pleased to make the necessary arrangements at the first opportunity.

Video (including video stills): thanks are extended to the teacher educators, headteachers, teachers and students across India who worked with The Open University in the productions.